# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 24-11-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

অসম বিধানসভাৰ শীতকালীন অধিৱেশন কাইলৈ আৰম্ভ হ'ব। এইবাৰৰ অধিৱেশনত ১০ খন বিধেয়ক উত্থাপনৰ বাবে তালিকাভুক্ত কৰা হৈছে। ২৯ নৱেম্বৰলৈ চলিবলগীয়া এই অধিৱেশনত মুঠ ৫টা কৰ্মদিন থাকিব। কাইলৈ বিগত অধিৱেশনৰ পাছত দেহাৱসান ঘটা প্ৰাক্তন সদস্য আৰু ৰাজ্য তথা দেশৰ বিশিষ্ট ব্যক্তিসকলৰ স্মৃতিত শ্ৰদ্ধা তৰ্পণ কৰা হ'ব। লগতে অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে শীতকালীন অধিৱেশনৰ বাবে কাৰ্যসূচী উপদেষ্টা সমিতিৰ প্ৰতিবেদন দাখিল কৰিব। অসম মন্ত্ৰীসভাই লোৱা সিদ্ধান্ত অনুসৰি ১৯৮৩ চনত নেলীত সংঘটিত গণহত্যাৰ তদন্ত কৰা ত্ৰিভূৱন প্ৰসাদ তিৱাৰী আয়োগৰ প্ৰতিবেদন এইবাৰৰ অধিৱেশনত দাখিল কৰা হ'ব। তদুপৰি প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ প্ৰসংগ, ছটা জনগোষ্ঠীৰ জনজাতিকৰণ আৰু সাংসদ গৌৰৱ গগৈ আৰু তেওঁৰ পৰিয়ালৰ পাকিস্তান সংযোগ বিষয়ক প্ৰসংগই এইবাৰৰ অধিৱেশনত বিশেষ গুৰুত্ব লাভ কৰাৰ সম্ভাৱনা আছে। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অধিৱেশনৰ দিনকেইটাত নিশা ৯ বাজি ১৫ মিনিটৰ পৰা **বিধানসভাত আজিৰ দিনটো** প্ৰচাৰ কৰিব।

০০০০

ভাৰতীয় চলচ্চিত্ৰ জগতৰ যশস্বী অভিনেতা, প্ৰযোজক তথা প্ৰাক্তন সাংসদ পদ্মভূষণ সন্মানেৰে সন্মানিত ধৰ্মেন্দ্ৰৰ আজি মুম্বাইত দেহাৱসান ঘটে। দীৰ্ঘদিন ধৰি অসুস্থ হৈ থকা অভিনেতাগৰাকীক ১২ দিন পূৰ্বে চিকিৎসালয়ৰ পৰা অব্যাহতি দিয়া হৈছিল। মৃত্যুৰ সময়ত তেঁওৰ বয়স হৈছিল ৮৯ বছৰ। ১৯৩৫ চনৰ ৮ ডিচেম্বৰত লুধিয়ানাত জন্মগ্ৰহণ কৰা ধৰ্মেন্দ্ৰ কৃষাণ দেউলেই পাছলৈ বলিউদত ধৰ্মেন্দ্ৰ হিচাপে উজলি উঠিছিল। ভাৰতীয় চলচ্চিত্ৰ ইতিহাসৰ সুদৰ্শন, সফল তাৰকা হিচাপে পৰিচিত আৰু বলিউদৰ হি মেন হিচাপে খ্যাত ধৰ্মেন্দ্ৰই প্ৰায় ৬৫ বছৰীয়া অভিনয় জীৱনত কমেও ৩০০ খন চলচ্চিত্ৰত অভিনয় কৰে। ২০১২ চনত পদ্মভূষণ সন্মানেৰে সন্মানিত ধৰ্মেন্দ্ৰই চলচিত্ৰত কৰা অভিনয়ৰ বাবে কেইবাটাও ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰিছে। ৰাজস্থানৰ বিকানেৰ সমষ্টিৰ প্ৰতিনিধিত্ব কৰি ভাৰতীয় জনতা পাৰ্টীৰ পৰা ২০০৪ চনত তেওঁ সাংসদ হিচাপে নিৰ্বাচিত হৈছিল। ধৰ্মেন্দ্ৰৰ বিয়োগত দেশৰ অগনন অনুৰাগীয়ে গভীৰ শোক প্ৰকাশ কৰিছে। কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে জনপ্ৰিয় অভিনেতা তথা প্ৰাক্তন সাংসদগৰাকীৰ কথা সুঁৱৰি এইদৰে কয়।

**ৰাইট**

০০০০

নলবাৰী মহাবিদ্যালয়ৰ প্ৰভাত চন্দ্ৰ গোস্বামী প্ৰেক্ষাগৃহত আজি জিলা প্ৰশাসন আৰু নলবাৰী শিক্ষা বিভাগৰ যৌথ উদ্যোগত যুৱ সংসদ ২০২৫ শীৰ্ষক কাৰ্যসূচী অনুষ্ঠিত হয়। জিলাখনৰ বিভিন্ন মহাবিদ্যালয়ৰ এশগৰাকী ছাত্ৰ-ছাত্ৰীয়ে এই যুৱ সংসদত অংশগ্ৰহণ কৰে। কামৰূপ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° সঞ্জীৱ কুমাৰ গোস্বামীয়ে সৃঞ্চালনা কৰা এই কাৰ্যসূচীত জিলাখনৰ আয়ুক্ত নিবেদন দাস পাটোৱাৰী উপস্থিত থাকে। অনুষ্ঠানৰ শেষত ছাত্ৰ-ছাত্ৰীসকলক প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়।

০০০০

লখিমপুৰ জিলাৰ ৰঙানদী বিধানসভা সমষ্টিৰ ডিজু গাওঁ পঞ্চায়ত কাৰ্যালয়ত আজি কাৰিটাছ ইণ্ডিয়া শীৰ্ষক এটা বেচৰকাৰী সংস্থাৰ উদ্যোগত জলবায়ু পৰিৱৰ্তনৰ সৈতে মোকাবিলা কৰিব পৰাকৈ কৃষি কাৰ্য কৰাৰ প্ৰণালী সন্দৰ্ভত প্ৰশিক্ষণ দিয়া হয়। সংস্থাটোৱে সৰল নামৰ আঁচনিৰ অধীনত পঞ্চায়তখনৰ ৫ খন গাওঁৰ মহিলা কৃষকসকলক সামৰি কৃষি কাৰ্য কৰাৰ ক্ষেত্ৰত ল'বলগীয়া সাৱধানতা সন্দৰ্ভত আলোচনা কৰে। তদুপৰি বান আৰু খৰাং পীড়িত অঞ্চলত কৃষকৰ সমস্যা আৰু বিজ্ঞান সন্মত কৃষি পদ্ধতিৰে কিধৰণে কৃষকসকলৰ কৃষিৰ মান উন্নত কৰিব পাৰি সেই বিষয়েও আলোচনা কৰা হয়।

০০০০

জাতীয় বীৰ লাচিতৰ শৌৰ্য-বীৰ্য, পৰাক্ৰমক সুঁৱৰি ৰাজ্যজুৰি আজি লাচিত দিৱস পালন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বীৰ পুৰুষজনাৰ ৪০৩ সংখ্যক জয়ন্তীত ৰাজ্যবাসীলৈ ওলগ জনাইছে। এই উপলক্ষে ৰাজ্য চৰকাৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু যোৰহাট জিলা প্ৰশাসনৰ সহযোগত কেন্দ্ৰীয়ভাৱে 'বীৰ লাচিত দিৱস' পালন কৰা হয়।

গুৱাহাটী মহানগৰীৰ লাচিত ঘাটত লাচিত সেনাৰ উদ্যোগত আজি লাচিত দিৱস উদযাপন কৰা হয়। ধেমাজি, জামুগুৰিহাট আৰু শিৱসাগৰতো লাচিত দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়।

বজালী জিলাত ভট্টদেৱ বিশ্ববিদ্যালয়ৰ ইতিহাস বিভাগৰ উদ্যোগত লাচিত দিৱস উপলক্ষে আহোম-মোগল সংঘৰ্ষৰ সময়ত গড় নিৰ্মাণৰ জৰিয়তে গুৱাহাটীৰ প্ৰতিৰক্ষা বিষয়ত বিশেষ বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰা হয়। শ্ৰীভূমিতো বিজেপিৰ জিলা সমিতিৰ উদ্যোগত জাতীয় বীৰগৰাকীৰ জীৱনৰ বিভিন্ন দিশৰ বিষয়ে আলোচনা কৰা হয়।

০০০০

ভাৰতৰ চুবুৰীয়া ৰাষ্ট্ৰ ভূটানৰ ছামদ্ৰুপ ঝংখাৰ জিলা সদৰৰ খেলপথাৰত ভাৰত-ভূটান মৈত্ৰী সংস্থাৰ উদ্যোগত ২২ নৱেম্বৰৰ পৰা **বন্ধুত্বৰ বাবে খেল** শীৰ্ষক মেগা ফুটবল টুৰ্ণামেণ্ট অনুষ্ঠিত হয়। টুৰ্ণামেণ্টৰ আজি তৃতীয়খন খেল ভূটানৰ ডাঙচাম ৱাৰিয়ৰ্ছ আৰু তামুলপুৰৰ পাটকিজুলি মাইনাও ক্লাবৰ মাজত অনুষ্ঠিত হয়। আজিৰ খেলখনত ভূটানৰ দলটোৱে পাটকিজুলি মাইনাও ক্লাবক ৪-০ গলৰ ব্যৱধানত পৰাস্ত কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰে।

০০০০

**ঃঃ সমাপ্ত ঃঃ**